# অলিম্পিকত ভাৰতৰ প্ৰদৰ্শন

শ্ৰীমহানন্দ দাস
স্নাতক ২য় বৰ্ষ (কলা)

অলিম্পিক ক্ৰীড়া সমাৰোহৰ ইতিহাসত ভাৰতৰ স্থান উজ্বল নহয় যদিও ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰক প্ৰথম অৱস্থাৰ পৰাই স্বৰ্ণপৰশ দিয়া হকীয়েই আমাৰ দেশৰ নাম উজ্বল কৰিছিল। হকীৰ 'যাদুকৰ' ভাৰততে উপজিছিল আৰু ভাৰততে অলিম্পিক ধুমুহা তুলিছিল। ভাৰতীয় হকীৰ সেই যাদুভৰা দিনবোৰ এতিয়া পাহৰণিৰ গৰ্ভত। ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰত গৌৰৱৰ কথা সুঁৱৰিলে হকীৰ কথা কবই লাগিব। ১৯২৮ চনৰ পৰা ১৯৫৪ চনলৈ অলিম্পিক গেমছত আৰু ১৯৮০ চনৰ অলিম্পিকত ভাৰতীয় হকীৰ সাফল্য আছিল গৌৰৱময়।

শ্ৰীমতী টি পি গাটালেক সভাপতি ৰূপে আৰু মেজৰ আই মুৰ্ডকক সচিৱ ৰূপে ১৯২৭ চনত হকীৰ মুখ্য কাৰ্য্যালয় দিল্লীলৈ অনা হয়। ১৯২৮ চনৰ আমষ্টাৰডাম অলিম্পিকলৈ ভাৰতে পোন প্ৰথম বাৰৰ বাবে ভাৰতীয় হকী দল পঠিয়াই বিশ্বক দেখুৱাই দিলে যে ভাৰতেওঁ অলিম্পিকত স্বৰ্ণপদক লবলৈ সক্ষম। ভাৰতীয় অলিম্পিক গামী হকী দলৰ প্ৰথম অধিনায়ক আছিল অক্সফৰ্ড বিশ্ববিদ্যালয়ত পঢ়ি থকা জয় পাল সিং। দলৰ বাকী খেলুৱৈ সকল আছিল এছ এম ইউছুফ, পাটাউডি নবাৱ, ই পেনিজাৰ, আৰ জে এলেন, এম বক, এলছি হেমিও, আৰ এ নৰিছ, ডব্লিউ কলেন, খেৰ সিং, এম গেটলে, চৌকত আলী, জি মৰ্মিনছ, ধ্যান চাঁদ, ফিৰোজ খান আৰু এফ ছিমেন। মেনেজাৰ হিচাপে গৈছিল বংগৰ এবি ৰজাৰ। সেইবাৰ ভাৰতে খেলত ধুমুহা তুলিছিল আৰু পাঁচখন মেছত সৰ্বমুঠ ২৯ টা গ'ল দিছিল আৰু এটাও গল খোৱা নাছিল। ভাৰতে অষ্ট্ৰিয়াক ৬-০, বেলজিয়ামক ৯-০, ডেনমাৰ্কক ৫-০, ছুইজাৰলেণ্ডক ৬-০ আৰু হলেণ্ডক ৩-০ গলত পৰাভূত কৰি প্ৰথমটো স্বৰ্ণপদক অৰ্জন কৰিছিল। ১৯৩২ চনত লছ এঞ্জেলেছ অলিম্পিক গেমছত ভাৰতীয় হকী দলে স্বৰ্ণ পদক অৰ্জন কৰিছিল। সেইবাৰ ভাৰতে জাপানক ১১-১ গলত আৰু আমেৰিকাক অভিলেখ সংখ্যক ২৪-১ গলত পৰাভূত কৰিছিল। ইয়াৰ পিছত ১৯৩৬ চনত বাৰ্লিন অলিম্পিকত ভাৰতীয় হকী দলৰ অধিনায়ক আছিল হকীৰ যাদুকৰ ধ্যান চাঁদ। সেইবাৰ ভাৰতীয় দলে হাংগেৰিক ৪-০, আমেৰিকাক ৭-০, জাপানক ৯-০, ফ্ৰান্সক ১০-০ আৰু জাৰ্মানীক ৮-১ গলত পৰাভূত কৰিছিল। ইয়াৰ পিছত বিশ্বযুদ্ধৰ বাবে দুবাৰ অলিম্পিক গেমছ অনুস্থিত হোৱা নাছিল। পুনৰ ১৯৪৮ চনৰ লণ্ডন অলিম্পিকত ভাৰতে পূৰ্বৰ সন্মান অটুত ৰাখিবলৈ সক্ষম হয়। ১৯৫২ চনত হেলচিংকি অলিম্পিকৰ ফাইনেলত ভাৰতীয় হকী দলৰ নেতৃত্ব বহন কৰিছিল কেড সিং বাবুৱে। ১৯৫৬ চনৰ মেলবৰ্ণ অলিম্পিকত ভাৰতৰ প্ৰতিদ্বন্দী হৈছিল ভাৰত শত্ৰু পাকিস্থান। ভাৰতে পাকিস্থানক একমাত্ৰ গ'লত পৰাভূত কৰে। ১৯৬০ চনৰ ৰোম অলিম্পিকত ভাৰতে ১৯২৮ চনৰ পৰা ১৯৫৬ চনলৈ দখল কৰা সোণৰ পদকৰ স্থান হেৰুৱাব লগাত পৰে। এইবাৰো ভাৰতে পাকিস্থানৰ মুখা-মুখী হয় আৰু ভাৰতে পাকিস্থানৰ হাতত মাত্ৰ ১-০ গলত পৰাস্ত হৈ ৰূপৰ পদক পায়। ১৯৬৪ চনৰ টকিঅ' অলিম্পিক গেমছত ভাৰতীয় হকী দলৰ নেতৃত্ব বহন কৰিছিল গুৰ বাক্স সিঙে। এইবাৰো ভাৰতে পাকিস্থানৰ মুখা-মুখী হৈছিল। ভাৰতৰ মহিন্দৰ লালে কৰা একমাত্ৰ গলেৰে

ভাৰতে পুনৰ সোণৰ পদক বুটলিছিল। এয়াই আছিল ভাৰতীয় হকীৰ সোণৰ পদকৰ ইতিহাস। ১৯৬৮ চনৰ মেক্সিকো অলিম্পিকত ভাৰতৰ স্থান তললৈ নামে। এই গেমছত ভাৰতে তৃতীয় স্থান লাভ কৰি ব্ৰঞ্জৰ পদকহে লাভ কৰে। ১৯৭২ চনৰ মিউনিক অলিম্পিক গেমছত পুনৰ তৃতীয় স্থান পাই ব্ৰঞ্জৰ পদক পায়। ১৯৭৬ চনৰ মণ্ট্ৰিল অলিম্পিকত ভাৰতে কোনো পদক নাপালে। পুনৰ ১৯৮০ চনত মস্কো অলিম্পিকত ভাৰতে হকীত সোণৰ পদক লাভ কৰে। এই অলিম্পিকত ভাৰতীয় দলৰ নেতৃত্ব বহণ কৰিছিল ভি ভাস্কাৰণে। বৰ্তমানে ১৯৮০ চনৰ পৰা ২০০০ চনলৈ সুদীৰ্ঘ ২০ বছৰ কাল ভাৰতীয় হকীদলে অলিম্পিকত কোনো পদক পাবলৈ সক্ষম হোৱা নাই।

১৯০০ চনৰ পেৰিচ অলিম্পিকত নৰমান পিটচাৰ্ড নামৰ এংলো ইণ্ডিয়ান দৌৰবিদজনে ব্যক্তিগত ভাবে যোগদান কৰি ২০০ মিটাৰ আৰু ২০০ মিটাৰ হাৰ্ডলছ ৰেচ্‌ত ৰূপৰ পদক লাভ কৰে। ১৯৮৪ চনত লছ এঞ্জেলেছত ভাৰতীয় দৌৰ ৰাণী পি টি উষাই ৪০০ মিটাৰ ৰেচত চতুৰ্থ স্থান পায়। তেওঁ মাত্ৰ .০১ চেকেণ্ডৰ বাবে ব্ৰঞ্জৰ পদক হেৰুৱাই। ১৯৫২ চনৰ হেলছিংকি অলিম্পিকত ভাৰতীয় মল্লযোদ্ধা কে. ডি যাদৱে ব্যক্তিগত ভাৱে অলিম্পিকত যোগদান কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ১৯৯৬ চনত আটলাণ্টা অলিম্পিকত ভাৰতীয় টেনিছ তাৰকা লিয়েণ্ডাৰ পেজে পুৰুষৰ একক লন টেনিছত ব্ৰঞ্জৰ পদক পায়। ছিডনী অলিম্পিকত মহিলাৰ ৬৯ কিলো ভাৰোত্তোলনত কৰ্ণম মালেশ্বৰীয়ে ব্ৰঞ্জৰ পদক লাভ কৰা প্ৰথম ভাৰতীয় নাৰী। যি ব্যক্তি বা অনুষ্ঠানে বিশ্বত অলিম্পিকৰ নীতি আৰু আদৰ্শ নিজৰ কামৰ মাজেৰে ৰূপায়ণ কৰে আৰু বিশ্ব ভাতৃত্ববোধ গঢ়ি তোলাৰ বৰঙণি যোগায় তেওঁক “অলিম্পিক অৰ্ডাৰ” শীৰ্ষক এক বিৰল সন্মান যঁচা হয়। “অলিম্পিক অৰ্ডাৰ” লাভ কৰা পৃথিৱীৰ প্ৰথম মহিলা গৰাকী আছিল ভাৰতৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী।

ভাৰতবৰ্ষৰ দৰে এখন বিশাল দেশৰ “অলিম্পিক ইতিহাস” মুঠেও গৌৰৱময় নহয়। কেৱল মাথোন হকী খেলতহে ভাৰতে সোণৰ পদক পাবলৈ সক্ষম হৈছে। অৱশ্যে এই খেলতো দেশে ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ ব্যৰ্থতাহে পৰিলক্ষিত হৈছে। বিশ্বৰ দ্বিতীয়তম বৃহৎ জনবহুল দেশ ভাৰতৰ তুলনাত আন আন ক্ষুদ্ৰ দেশবোৰৰ প্ৰদৰ্শন অতি উন্নত মানৰ। ভাৰতবৰ্ষই পদক লাভৰ তালিকাত অন্ততঃ প্ৰথম দহটা স্থানৰ ভিতৰত নিজৰ স্থান সুৰক্ষিত কৰিব লাগিছিল। কিন্তু পৰিতাপৰ বিষয় প্ৰায় প্ৰতিবাৰেই ভাৰতে খালী হাতলৈ অলিম্পিকৰ পৰা প্ৰত্যাৱৰ্তন কৰিব লগীয়া হয়। কঠোৰ পৰিশ্ৰম অবিহনে সাফল্য অসম্ভৱ। অলিম্পিকত পদক লাভ কৰিবলৈ হলে ভাৰতীয় খেলুৱৈ সকলৰ অধিক কঠোৰ অনুশীলনৰ প্ৰয়োজন, তেতিয়াহে যদি ভাৰত মাতৃৰ মুখত হাঁহি বিৰিঙিব পাৰে। কোনে জানে অসম্ভৱো এদিন সম্ভৱ হব পাৰে, ভাৰতীয় অলিম্পিক ইতিহাসলৈ সুদিন নামি আহিবও পাৰে।

**কঠোৰ পৰিশ্ৰম অবিহনে সাফল্য অসম্ভৱ। অলিম্পিকত পদক লাভ কৰিবলৈ হলে ভাৰতীয় খেলুৱৈ সকলৰ অধিক কঠোৰ অনুশীলনৰ প্ৰয়োজন, তেতিয়াহে যদি ভাৰত মাতৃৰ মুখত হাঁহি বিৰিঙিব পাৰে।**

(সহায় লৈ)

# সুকবি নাৰায়ণদেৱৰ পদ্মা-পুৰাণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

শ্ৰীক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

'পদ্মা-পুৰাণ' নাৰায়ণদেৱৰ একমাত্ৰ ৰচনা। 'পদ্মা' বা 'মনসা-দেৱী'ৰ মাহাত্ম্য আৰু গৌৰৱ প্ৰকাশক গ্ৰন্থ বাবেই কাব্যখনক 'পদ্মা-পুৰাণ' বা 'মনসা-পুৰাণ' বোলা হয় যদিও অসমৰ জনসাধাৰণৰ মাজত ই 'সুকনানী' (সুকনানি) বা 'সুকন্নান্নী' নামেৰেহে জনাজাত। অৱশ্যে উক্ত 'সুকনানী' বা 'সুকনান্নী' শব্দটো কবিৰ নামেৰেই অৰ্থাৎ 'সুকবি নাৰায়ণী'ৰ সংক্ষিপ্ত ৰূপ।[১] ড° নবীন চন্দ্ৰ শৰ্মাৰ মতে, 'সুকবি নাৰায়ণদেৱ নিগদতি' - এই বাক্যটোৰ প্ৰতিটো পদৰ আদি অক্ষৰৰ সংযোগত সুকনান্নী বা সুকনানি পদটো সিদ্ধ হৈছে। যেনে, সু (সু)+ক (কবি)+ না(নাৰায়ণদেৱ)+নি(নিগদতি)= সুকনানি, আৰু আদ্য শ্বাসাঘাত হেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে পদটো 'সুকনান্নি' বা 'সুকনান্নী' ৰূপেও উচ্চাৰিত হবলৈ ধৰিলে।[২] সেইবাবে 'সুকনানী' বা 'সুকনান্নী' নামেৰেও কাব্যখন জনাজাত। আমাৰ এই অধ্যয়নত দৈৱচন্দ্ৰ তালুকদাৰ সম্পাদিত 'সুকনানী ঃ পদ্মাৱতী' (১৯৬৪) গ্ৰন্থখনক 'আধাৰ গ্ৰন্থ' হিচাপে গ্ৰহণ কৰা হৈছে।

নাৰায়ণদেৱৰ পদ্মা-পুৰাণ দুটা বৃহৎ খণ্ডত বিভক্ত - সৃষ্টি পাতন খণ্ড আৰু ভাটিয়ালী খণ্ড। প্ৰথম খণ্ড সৃষ্টিতত্বক লৈ আৰম্ভ হৈ বিভিন্ন ঘটনাৰ মাজেদি বেউলা-লখিন্দৰৰ বিবাহ আৰু চন্দ্ৰধৰৰ নিৰ্দেশত তেওঁলোকক (বেউলা-লখিন্দৰক) মেৰঘৰত থোৱা বৰ্ণনত শেষ হৈছে। দ্বিতীয় খণ্ড চান্দোপুত্ৰ লখিন্দৰক সৰ্পৰদ্বাৰা বধ কৰিবলৈ অসমৰ্থা পদ্মাৱতীয়ে উপায় বিচাৰি ভগ্নী নেতাৰ গলত ধৰি কন্দাৰ পৰিস্থিতিৰে আৰম্ভ হৈ বেউলা-লখিন্দৰৰ স্বৰ্গযাত্ৰা বৰ্ণনাত শেষ হৈছে। নাৰায়ণদেৱৰ কাব্যৰ কলেবৰ বৃহৎ হলেও মুখ্য কাহিনীৰ মাজত ঐক্য ৰক্ষা হৈছে। প্ৰয়োজন বশতঃ দুই-এটা উপকৰুৱা ঘটনা সংযোগ কৰিছে যদিও সেইবোৰে মূল ঘটনাক ম্লান কৰিব পৰা নাই; বৰং সেইবোৰে মূল ঘটনাক সজীৱ আৰু সংবেদনশীল কৰিহে তুলিছে। এই সন্দৰ্ভত ড° হৰিনাথ শৰ্মাদলৈয়ে লিখিছে, 'মাজে মাজে আনুসংগিক ঘটনাৰ সংযোগ ঘটিছে যদিও সেইবোৰ উদ্দেশ্যবিহীন নহয় আৰু সেইবোৰে মূল ঘটনাক একেবাৰে পাহৰাই দিয়া নাই।'[৩] কিন্তু নাৰায়ণদেৱৰ কাব্যৰ পৰিসৰ অকল ব্যাপকেই নহয় - নানা উপাখ্যানযুক্তও। সম্ভৱতঃ এই কাৰণেই ইয়াক পুৰাণ আখ্যা দিয়া হ'ল। 'পুৰাণ'ৰ পৰম্পৰাগত অৰ্থ আখ্যান; অৰ্থাৎ আখ্যানবিশিষ্ট গ্ৰন্থই পুৰাণ ঃ 'পুৰাণম্ আখ্যানম্'। পুৰাণ পঞ্চলক্ষণযুক্ত। বিষ্ণু-পুৰাণত উল্লেখিত উক্ত পঞ্চলক্ষণ হ'ল ঃ

> 'সৰ্গশ্চ প্ৰতিসৰ্গশ্চ বংশমন্বন্তৰাণি চ।
> বংশানুচৰিতং চৈব পুৰাণং পঞ্চলক্ষণম্।।'[৪]

অৰ্থাৎ সৰ্গ, প্ৰতিসৰ্গ, বংশ, মন্বন্তৰ আৰু বংশানুচৰিত - এয়ে পুৰাণৰ পঞ্চলক্ষণ। কিন্তু বিষ্ণু-পুৰাণৰ পৰৱৰ্ত্তী কালত ৰচিত 'ভাগৱত-পুৰাণ'ত সৰ্গ, বিসৰ্গ, বৃত্তি, ৰক্ষা, অন্তৰ, বংশ, বংশানুচৰিত, সংস্থা, হেতু আৰু অপাশ্ৰয় - এই দহ-লক্ষণ স্বীকাৰ কৰা হ'ল।[৫] তদুপৰি ধৰ্ম, অৰ্থ, কাম, মোক্ষ - এই চতুৰ্বৰ্গৰ সাধনো পুৰাণৰ লক্ষণ হোৱাৰ সপক্ষে দুই এখন পুৰাণে মত দিলে।

পাছলৈ পুৰাণ আৰু উপ-পুৰাণৰ বাবে ক্ৰমে দশলক্ষণ আৰু পঞ্চলক্ষণৰ পৰম্পৰা স্বীকাৰ কৰা হ'ল। ড° সত্যেন্দ্ৰনাথ শৰ্মাই পুৰাণৰ পঞ্চলক্ষণ 'পদ্মা-পুৰাণে' পুৰণ নকৰিলেও পুৰাণ বৰ্ণিত দেৱমাহাত্ম্য, আচাৰ, ব্ৰত, শ্ৰাদ্ধ, অশৌচ আদিৰ মাজত পুৰাণৰ লক্ষণ পদ্মা-পুৰাণত প্ৰকাশ পোৱাৰ কথা উল্লেখ কৰিছে।[৬] অৱশ্যে 'দেৱী-পুৰাণ', 'কালিকা-পুৰাণ' আদি উপ-পুৰাণ সমূহতো পুৰাণৰ পঞ্চলক্ষণ পূৰ্ণমাত্ৰাত দেখা নাযায়।[৭] ড° নবীন চন্দ্ৰ শৰ্মাই 'পদ্মা-পুৰাণ'ত পুৰাণৰ পঞ্চলক্ষণ এনেধৰণে দাঙি ধৰিছে ঃ সৰ্গ (পদ্মা-পুৰাণত বৰ্ণিত সৃষ্টিৰ বৰ্ণনা); প্ৰতিসৰ্গ (পদ্মা-পুৰাণত বৰ্ণিত দক্ষাদি প্ৰজাপতিৰ সৃষ্টি), বংশ (পদ্মা-পুৰাণত বৰ্ণিত বিভিন্ন ৰজাৰ বংশানুচৰিত, যেনে ঃ চন্দ্ৰধৰ, শাহেৰজা, বিভীষণ, কোটেশ্বৰ, শংকট সাধু আদি ৰজাৰ বংশ পৰিচয়); মন্বন্তৰ (পদ্মা-পুৰাণত বৰ্ণিত মনুৰ ৰাজ্য শাসনৰ কাল), বংশানুচৰিত (পদ্মা-পুৰাণত বৰ্ণিত বিভিন্ন ৰাজবংশৰ বৰ্ণনা)[৮] পদ্মা-পুৰাণত ধৰ্ম, অৰ্থ, কাম, মোক্ষ - এই চতুৰ্বৰ্গৰ সাধনৰ কথাও পোৱা যায়। পুৰাণৰ ভাষা সংস্কৃত, অৰ্থাৎ পুৰাণ দেৱভাষা সংস্কৃতত ৰচিত হ'ব লাগে। কিন্তু পুৰাণ জনসাধাৰণৰ ভাষাত ৰচিত হ'ব নোৱাৰাৰ কথা পুৰাণ পৰম্পৰাত উল্লেখ নাই। এই ফালৰ পৰা পদ্মা-পুৰাণক 'ভাষা-পুৰাণ' বুলিব পাৰি।[৯] হৰিনাথ শৰ্মাদলৈৰ মতে, একোখন পুৰাণত নিৰ্দিষ্ট দেৱ-দেৱীৰ শক্তি-মাহাত্ম্য প্ৰকাশৰ ওপৰত পুৰাণকাৰে গুৰুত্ব দিয়ে। মনসা-পদ্মাৰ বহুল পৰিচয় কোনো প্ৰাচীন সংস্কৃত গ্ৰন্থত পোৱা নাযায়। মাথোন দশম শতিকাৰ পাছত ৰচিত 'দেৱীভাগৱত' আৰু 'ব্ৰহ্মবৈৱৰ্ত-পুৰাণ'ত মনসা-পদ্মাৰ জন্ম সম্পৰ্কীয় সামান্য কথাহে পোৱা যায়। উক্ত সম্বলকে অৱলম্বন কৰি পৰিপূৰ্ণ মনসাৰ দেৱীৰূপ প্ৰতিষ্ঠাৰ মানসেৰে পুৰাণ শাস্ত্ৰৰ লক্ষণ আৰু আদৰ্শক সাৰোগত কৰি নাৰায়ণদেৱে মাতৃভাষাত এই বৃহৎ পুৰাণখন প্ৰণয়ন কৰিলে।[১০] ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মায়ো পুৰাণৰ প্ৰায়বোৰ লক্ষণ থকা এই বিৰাট কাব্যখনক প্ৰাদেশিক ভাষাত ৰচিত এখন পুৰাণেই বুলিছে।[১১]

গীতিধৰ্মিতা পদ্মা-পুৰাণৰ এটা মনকৰিবলগীয়া বৈশিষ্ট্য। ই বহুতো গীতৰ সমষ্টি আৰু এইবোৰ ওজাপালিয়ে বিভিন্ন সুৰ-তালত গাবৰ উপযোগীকৈ ৰচিত হৈছে। উক্ত গীতখিনি মনসা-পূজাৰ অপৰিহাৰ্য্য অংগৰূপে কবিৰ দিনৰ পৰাই পৰম্পৰাগতভাৱে গাই অহা হৈছে। সকলোবোৰ গীতৰ আৰম্ভণিতেই বেলেগ বেলেগ দিহা দিয়া আছে। কবিয়ে প্ৰত্যেকটো গীতৰ দিহা আৰু পদৰ ৰাগবোৰ বান্ধি দিছে। কথাবস্তুৰ ভাবৰ লগত ৰাগৰ মিল আছে। গীতৰ ভাব অনুসৰি বিভিন্ন ৰাগৰ প্ৰয়োগৰ পৰা বুজিবলৈ বাকী নাথাকে যে, নাৰায়ণদেৱ প্ৰকৃততে এজন গীত বিশাৰদ আছিল।[১২] গীতিকাৰে গীতবোৰৰ সাংগীতিক বৈশিষ্ট্যৰ প্ৰতি দৃষ্টিকৰি শ্ৰী, ধনশ্ৰী, ভাটিয়ালী, পটমঞ্জৰী, বৰাৰি, কামোদ, বিভাষ, গান্ধাৰ, দ্ৰোপতি, কৰুণা, অহিৰ, চলাধীৰ, মুকুগ, জুলনা আদি ৰাগৰ প্ৰয়োগ কৰিছে। তদুপৰি সাংগীতিক লয়ৰ কাৰণে দিহা আৰু পদত সঘনে 'আৰে', 'হে', 'ভালহ', 'নাৰে', 'ৰে' আদি শব্দ বা শব্দাংশ প্ৰয়োগ কৰিছে।[১৩] উক্ত শব্দ বা শব্দাংশৰ সংযোজনৰ ফলত গীতবোৰ শ্ৰুতিমধুৰ হৈ উঠিছে।

নাৰায়ণদেৱ কৃত কাব্যত সন্নিবিষ্ট বহুতো দিহাৰ বিষয়বস্তু কৃষ্ণলীলা বিষয়ক; অৰ্থাৎ নৱবৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ সুস্পষ্টকৈ ইবোৰত পোৱা যায়। তলত তাৰ দুটামান উদাহৰণ দিয়া হ'ল ঃ

ক) 'আজি বৃন্দাবনে চলিল গোপাল।
চতুৰ্দ্দিশে শোভাকৰে ৰাখাল সকল ।।'
(পৃ. ৩৩৪)

খ) 'নন্দৰ পুত্ৰ কানু বৃন্দাবনে যায়।
গোপীগন সংগে ক্ৰীড়া কৰয়।।' (পৃ. ৩২৭)

গ) 'হৰি বোলৰে মন ৰাম বোলৰে মুখে।
এভৱ সাগৰে মোক পাৰ কৰা সুখে।।'
(পৃ. ৩৬৬)

মনসা-মাহাত্ম্য প্ৰকাশক পদ্মা-পুৰাণ মূলতঃ এখন শাক্ত কাব্য। এনে ক্ষেত্ৰত শাক্ত গ্ৰন্থ এখনত কৃষ্ণলীলা বিষয়ক বা বৈষ্ণৱ ভাবাপন্ন দিহাবোৰৰ সংযোগ মন কৰিবলগীয়া। তদুপৰি কীৰ্ত্তনৰ ঘোষা আৰু পদৰ দৰে ইয়াৰো গীত সমূহ দিহা আৰু পদত বিভক্ত। এই ফালৰ পৰাও কীৰ্তন-ঘোষা বা আন বৈষ্ণৱ গ্ৰন্থৰ প্ৰভাৱ গ্ৰন্থখনত পৰা যেন লাগে। এইবোৰে হয়তো পদ্মা-পুৰাণৰ কবিৰ ওপৰত ক্ৰমবৰ্দ্ধমান বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ কথাকে সুচায়।[১৪] অৱশ্যে এই ধৰণৰ দিহাবোৰ নাৰায়ণদেৱে নিজে লিখা বুলি ভৱাতকৈ পৰৱৰ্ত্তী কালৰ কোনো বৈষ্ণৱ কবিয়ে সংযোগ কৰি দিয়া বুলি ভাবিব পাৰি।[১৫]

পদ্মা-পুৰাণ ৰসোত্তীৰ্ণ ৰচনা। কাব্যৰ বিভিন্ন ঠাইত কবিয়ে নিজেই উল্লেখ কৰিছে ঃ

ক) 'সুকবি নাৰায়ণদেৱৰ সুৰস পাঞ্চালী।
বিনতাৰ কৰুণ বুলি একযে লেচাৰী॥' (পৃ. ১০)

খ) 'নাৰায়ণদেৱে কয় সুৰস পাঞ্চালি।
গৌৰীৰ অধিবাস বুলি একযে লেচাৰী॥'
(পৃ.৭৯)

ৰসসৃষ্টিৰ ক্ষেত্ৰত নাৰায়ণদেৱৰ বিশিষ্ট প্ৰতিভা প্ৰকাশ পাইছে। কাব্যত সাধাৰণতে শৃংগাৰ, বীৰ আৰু শান্ত ৰসৰ ভিতৰত যিকোনো এটা ৰস প্ৰধানভাৱে অৰ্থাৎ অংগীৰস ৰূপে থাকিব লাগে বুলি আলংকাৰিকসকলে মত পোষণ কৰে। কিন্তু লঘু বা খণ্ডকাব্য সমূহত ইয়াৰ সামান্য ব্যতিক্ৰমো ঘটিব পাৰে; অৰ্থাৎ এনেবোৰ কাব্যত এটা প্ৰধান ৰসৰ লগত বাকীবোৰ ৰস নাথাকিবও পাৰে। এই ক্ষেত্ৰত কালিদাসৰ 'মেঘদূত' কাব্যখনৰ কথাকে কব পাৰি। উক্ত কাব্যখনত অংগীৰস শৃংগাৰ। কিন্তু শৃংগাৰ ৰসৰ পৰিপুষ্টিৰ বাবে কালিদাসে অন্যান্য ৰসৰ সহায় লোৱা নাই।[১৬]

পদ্মা-পুৰাণত কৰুণ ৰসৰ ব্যাপকতাই আন ৰসসমূহক বহুপৰিমানে নিষ্প্ৰভ কৰি পেলাইছে। হৰিনাথ শৰ্মাদলৈৰ ভাষাত, 'কৰুণ-ৰসে নাৰায়ণদেৱৰ কাব্যখন ইমান ব্যাপকভাৱে জুৰি আছে, ই যেন সকলো ৰসকে ঢাকি থৈছে।'[১৭] নবীন চন্দ্ৰ শৰ্মাই পদ্মা-পুৰাণৰ ৰস সম্পৰ্কত লিখিছে, 'পদ্মা-পুৰাণত কৰুণ ৰসৰ আৱৰ্তত শৃংগাৰ, হাস্য বীৰাদি ৰসে স্থিতি লাভ কৰিছে। স্বল্পপাৰ্থত এই ভাষা-পুৰাণ খনিত কৰুণৰসৰ গভীৰতাৰ বৈশিষ্ট্যই আন সকলো ৰসকে ম্লান কৰিছে।[১৮] সত্যেন্দ্ৰনাথ শৰ্মাই পদ্মা-পুৰাণত কৰুণ আৰু হাস্যৰসৰ প্ৰধানতাৰ কথা উল্লেখ কৰি কৈছে যে, উক্ত পুৰাণখনত শৃংগাৰাত্মক বৰ্ণনাই স্বাভাৱিক মাধুৰ্য হেৰুৱাই অশ্লীল স্তৰলৈ গতি কৰিছে।[১৯] প্ৰকৃতপক্ষে, পদ্মা-পুৰাণৰ কাহিনীভাগৰ আৰম্ভণিৰ পৰা শেষলৈ কৰুণৰসৰ বিৰাট প্ৰবাহলৈ দৃষ্টি কৰি পদ্মা-পুৰাণৰ অংগীৰস কৰুণ বুলি নিশ্চিত ভাৱে ক'ব পাৰি। অৱশ্যে শৃংগাৰ,বীৰ আৰু হাস্যাদি ৰসেও কাব্যখনত গুৰুত্ব লাভ নকৰা নহয়; কিন্তু সেইবোৰেও পৰিণতি লাভ কৰিছে কৰুণ ৰসত। পুৰাণ খনত বিশেষভাৱে স্থান লাভ কৰা মানৱ চৰিত্ৰ সমূহৰ ভিতৰত চন্দ্ৰধৰ, সোনেকা (সনেকা), শাহেৰজা, সুমিত্ৰা, লখিন্দৰ, বেউলা আৰু দেৱী চৰিত্ৰৰ ভিতৰত পদ্মা, নেতা আদিৰ চাৰিত্ৰিক অভিব্যক্তিত আছে কাৰুণ্যৰ এক বিৰাট হিল্লোল। চন্দ্ৰধৰৰ চৰিত্ৰ ট্ৰেজিক নায়কৰ গুণাৱলীৰে পৰিপুষ্ট। মনসাৰদ্বাৰা চান্দোৰ ছয় পুত্ৰ হত্যা, হেজাৰ বাধা-বিঘিনিৰ মাজেদি চৈধ্যখন ডিঙাসহ চান্দোৰ লংকাত প্ৰৱেশ, পদ্মাৰ ছলনাত ৰজা চন্দ্ৰকেতুৰ দ্বাৰা চান্দোৰ বন্দীকৰণ আৰু চন্দ্ৰকেতুৰ অন্ধকাৰ কাৰাগাৰত নিৰ্যাতিত চান্দোৰ কৰুণ বিণনি, কালিদা সাগৰত চান্দোৰ চৈধ্য ডিঙাৰ জলনিমজ্জন আৰু আশ্ৰয়হীন বিবস্ত্ৰ চন্দ্ৰধৰৰ পানীৰ ওপৰে ওপৰে ভাসন, পদ্মাৰ চক্ৰান্তত পুনঃ নিজগৃহত চান্দোৰ নিৰ্যাতন ইত্যাদি ঘটনা কাব্যকাৰে বৰ মৰ্মস্পৰ্শীভাবে বৰ্ণনা কৰিছে। তদুপৰি মেৰঘৰৰ ভিতৰত লখিন্দৰৰ দৈহিক সৌন্দৰ্যত বিমুগ্ধ কালিনাগৰ হৃদয় বিদাৰক বিলাপ, সৰ্প দংশনত সাৰ পাই 'বেউলা বেউলা' বুলি চিঞৰি লখিন্দৰৰ ক্ৰন্দনাৰম্ভ, লখিন্দৰৰ মৃত্যু, বেউলা-সোনেকাৰ

বাধাহীন ক্রন্দন, মৃতস্বামীক ভেলত তুলি গুঞ্জৰি সাগৰেৰে দেৱপুৰীলৈ বেউলাৰ অকলশৰীয়া যাত্রা - ইত্যাদি বৰ্ণনাই কাব্যখন করুণ ৰসসিক্ত কৰি তুলিছে।

নাৰায়ণদেৱৰ কাব্যত পয়াৰ আৰু ত্রিপদী ছন্দৰ প্রয়োগ দেখা যায়। তেওঁ 'পদ' বা 'পয়াৰ' ছন্দৰ ক্ষেত্রত আঠ-ছয় মাত্রাৰ দ্বিপদীক বুজাইছে। যেনে,

ক) 'পদ্মা বোলে শুন নেতা/আমাৰ উত্তৰ। ৮+৬=১৪
এখনো আমাৰ মন্দ/বোলে সদাগৰ॥' ৮+৬=১৪
(পৃঃ ৪১০)

খ) 'পদ্মা বোলে শুন নেতা/আমাৰ উত্তৰ। ৮+৬=১৪
এখনো আমাৰ মন্দ/বোলে সদাগৰ॥' ৮+৬=১৪
(পৃঃ ৫৯০)

নাৰায়ণদেৱে যদিও আঠ-ছয় মাত্রাৰে দ্বিপদীক বুজাবলৈ যত্ন কৰিছে, তথাপি স্থান বিশেষে মাত্রাৰ ক্ষেত্রত ব্যতিক্রমো পৰিলক্ষিত হৈছে ঃ

'চিঙ্গিল আভৰণ মোৰ/বসন গৈল দুৰা। ৯+৭=১৬
চিঙ্গিল হাৰ অলংকাৰ/পাৱৰে নেপুৰ॥'[২০] ৯+৬=১৫

দ্বিতীয়তে, নাৰায়ণদেৱৰ কাব্যত ত্রিপদী ছন্দৰ প্রয়োগ পৰিলক্ষিত হৈছে। সধাৰণতে ত্রিপদী ছন্দৰ ভিতৰত দুলড়ী, ছবি আৰু লেছাৰিক (লেচাৰি) সামৰা হয়। অসমীয়া ছন্দ সজ্জাত 'পদ' বা 'পয়াৰ'ৰ পাছতে দুলড়ীৰ স্থান। ইয়াত যতি নিয়ন্ত্রিত তিনিটা পৰ্ব থাকে আৰু উক্ত কাৰণতেই এই ছন্দক ত্রিপদী বোলা হয়। ইয়াত অক্ষৰ সংখ্যা হ'ল ছয়-ছয় আৰু আঠ আৰু দুটা ফাঁকিত ছন্দটো সম্পূর্ণ হয়। আনহাতে ছবিক দীর্ঘ দুলড়ী বুলিব পাৰি। ইয়াত অক্ষৰ সংখ্যা আঠ-আঠ আৰু দহ আৰু ছটা ফাঁকিত ছন্দটো সম্পূর্ণ হয়।[২১] ত্রিপদীৰ অন্তৰ্গত শেষৰটো ছন্দসজ্জা হ'ল লেচাৰি। এই ছন্দটো দীঘল আৰু লেহেতীয়া আৰু ইয়াৰ অক্ষৰ সংখ্যা হ'ল দহ-দহ আৰু চৈধ্য। নাৰায়ণদেৱে কিন্তু লেচাৰি ছন্দৰ ভিতৰতেই দুলড়ী, ছবি, লেচাৰি আদি ত্রিপদী ছন্দ সমূহক সামৰিছে।[২২] তেওঁৰ লেচাৰি পদে বিশেষকৈ আঠ-আঠ আৰু দহ মাত্রাৰ ছবি বা দীর্ঘ ত্রিপদীক নির্দেশ কৰিছে বুলিব পাৰি। ওজাপালি আদি পৰম্পৰাগত পৰিৱেশ্যকলাৰ গায়কসকলে লেচেৱা মাৰি গাব পৰাকৈ ত্রিপদী ছন্দত ৰচিত গীত-পদক লেচাৰি বোলে। নাৰায়ণদেৱে আকৌ পয়াৰ আৰু মিশ্র পংক্তিবদ্ধ ছন্দক বুজাবৰ বাবেও 'লেচাৰি' পদটো প্রয়োগ কৰিছে। কিন্তু সেয়া হলেও 'ত্রিপদী' ছন্দৰ অৰ্থতেই লেচাৰি পদটোৰ সৰ্বাধিক প্রয়োগ পৰিলক্ষিত হৈছে।[২৩]

নাৰায়ণদেৱৰ ৰচনা কাব্যালংকাৰৰ দ্বাৰা ভাৰাক্রান্ত নহয় যদিও পৰম্পৰাগত কবি প্রসিদ্ধি, তুলনা বা বিজনি, বিৰোধ, উপমা, ৰূপক, অনুপ্রাস আদি কাব্যালংকাৰৰ প্রয়োগ কাব্যখনত পৰিলক্ষিত হৈছে। পদ্মা-পুৰাণত পৰিৱেশিত হোৱা কাব্যালংকাৰসমূহ প্রায়ে অভিজ্ঞতালব্দ বা বাস্তৱানুগ আৰু নৈসৰ্গিক পৰিৱেশৰ ওপৰত প্রতিষ্ঠিত।[২৪] তলত পদ্মা-পুৰাণত প্রয়োগ হোৱা কাব্যালংকাৰৰ দুটামান উদাহৰণ দিয়া হ'ল, যেনে ঃ অনুপ্রাস ঃ একেবিধ ব্যঞ্জন বৰ্ণৰ সন্নিকট বিন্যাসকে অনুপ্রাস বোলে। যেনে ঃ

ক) 'তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি মহেশ্বৰ।
তুমি জল তুমি থল তুমি পুৰন্দৰ॥
তুমি স্বৰ্গ তুমি মৰ্ত্ত্য তুমি নিৰঞ্জন।
তুমি ৰাত্রি তুমি দিবা তুমি যে কাৰণ॥' (পৃঃ ৫৯৯)

খ) 'কমল কলিকা প্রভূ কমল গন্ধহীন।' (পৃঃ ৬০৮)

গ) 'ধৰ্ম ধৰ্ম বুলি বেফুলা ধৰ্ম আৰাধিলা।' (পৃঃ ৬৪৮)

উপমা ঃ স্পষ্ট আৰু বৈচিত্ৰ্যজনক সাদৃশ্যকে উপমা বোলে।[২৫] যেনে ঃ

ক) 'ককালৰ হেমহাৰ গলে মুক্তামালা।
গগন ওপৰে যেন শোভে চন্দ্ৰকলা॥' (পৃঃ ৮৬)

খ) পিঠি বুকু সুগঠন আতি বৰ সৰু।
মধ্য দেশ দেখি যেন হৰেৰ ডম্বৰু॥' (পৃঃ ৬১৬)

গ) 'দশ নখ দেখি যেন চন্দ্রেৰ সমান।' (পৃঃ ৬১৬)

ৰূপক ঃ যি অলংকাৰত সাদৃশ্যহেতু উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰা হয়, তাকে ৰূপক অলংকাৰ বোলে। যেনে ঃ

ক) 'কপালখন দাকিম বালাৰ দ্বিতীয়াৰ জোন।
দুই কৰ্ণ দাকিম বালাৰ বাৰে গছৰ পাণ।।'
(পৃঃ ৬১৭)

খ) 'দুই চক্ষু দাকিম বালাৰ আকাশৰ তাৰা।'
(পৃঃ ৬১৭)

গ) 'মাথা গোট দাকিম বালাৰ ডাব নাৰিকল।'
(পৃঃ ৬১৭)

নিদৰ্শনা ঃ দুই বাক্যৰ অৰ্থ নাইবা পদাৰ্থৰ সম্বন্ধটো বাস্তৱৰূপে চালে যদি অসম্ভৱ হয় আৰু অসম্ভৱতা দূৰ কৰিবলৈ উপমাৰ কল্পনা কৰিব লগা হয়, তেনেহলে তাক নিদৰ্শনা অলংকাৰ বোলে।[২৬] যেনে ঃ

'বেঙ্গ হৈয়া কেবা চাহিল হৰিতে বিষধৰ।
কাক হৈয়ো কেবা চাহিল শুষিতে সাগৰ।।
মাখি হৈয়া কেবা চাহিল ৰুদ্ৰক খাইতে।
গলায়ে পাথৰ বান্ধি চাহে সাগৰ তৰিতে।।'
(পৃঃ ৬০২)

উৎপ্ৰেক্ষা ঃ উপমেয়ক উপমান বুলি কৰা একপক্ষীয় প্ৰৱল সন্দেহৰ ভেটিত উপমেয় উপমানৰ যি একৰূপতাৰ কল্পনা তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে।[২৭] যেনে ঃ

'বেফুলাৰ ক্ৰন্দনে বৃক্ষৰ পত্ৰ সৰে।
পাহাৰ গলিয়া যায় মেদিনী বিদৰে।।
দাৰুণ জৰ বহে দুই চকুৰ পানী।
শুকাল বৃক্ষ শ্ৰবি পৰে বেফুলাৰ ক্ৰন্দন শুনি।।'
(পৃঃ ৬২৮)

'পদ্মা-পুৰাণ'ৰ ভাষা সৰল-সহজ আৰু অসমীয়া গঞা জীৱনৰ বিশেষকৈ দৰং, কামৰূপ আৰু গোৱালপাৰা অঞ্চলৰ কথিত ভাষাৰ অতি ওচৰ চপা। উক্ত তিনিটা অঞ্চলত প্ৰচলিত বহুতো কথিত শব্দ আৰু কেইটামান ইছলামীয় শব্দও পুৰাণ খনত প্ৰয়োগ হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে, পদ্মা-পুৰাণত প্ৰয়োগ হোৱা কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলৰ কথিত শব্দ আৰু ইছলামীয় শব্দৰ তালিকা একোখন তলত দিয়া হ'ল ঃ

ক) কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলৰ কথিত শব্দ ঃ অকথা (অশ্লীল কথা), আয়াগণ (আয়তীসকল), কাপৰ (কাপোৰ), কুমৰা (কোমোৰা), গিতাল (গীতাল), হাঠি (খোজকাঢ়ি), ঝি (জী), ঝিয়া (জীয়া), মাসি (মাহী), ঝাল (জাল), বিচি (ঘা-ফোহোৰা), ঝুলি (জুলি), তোমৰা (আপোনালোক), ওঝা (ওজা), ঝলমল (জলমল), ফেলাইলা (পেলালে), মাঝি (নাৱৰীয়া), জয়াই (জোঁৱাই), গহাৰি (গোহাৰি), থৈকৰা (থেকেৰা), ভাসুৰ (ভাই শহুৰ), ঝাৰি (জাৰি), গিয়ান (জ্ঞান), ঝোল (জোল), চাগল (ছাগলী), মৈহ (ম'হ), মইলানি (মালিনী), দায়া (দয়া), মজুক (মজু), বৈনী (ভনী), সৌল (শ'ল মাছ), বাঙ্গনা (বেঙেনা) ইত্যাদি।

খ) ইছ্লামীয় শব্দ ঃ কাৰ্জি দৰ্জি, ৰোজ, মিৰবৰ, বৰাবৰ, নাজিৰ, লস্কৰ, উজিৰ, ফৌজ, অঞ্জয়া, দোহাই, নফৰ, তলব (তলপ), দেৱান, ঝগৰ, হুকুম, চাকৰ, সাজাই, ইজাৰ, দোকান ইত্যাদি।

'পদ্মা-পুৰাণ'ত তৎসম-তদ্ভৱ শব্দৰ প্ৰয়োগ দেখা যায় যদিও শংকৰদেৱ-মাধৱদেৱ আৰু তেওঁলোকৰ অনুগামী বৈষ্ণৱ কবিসকলৰ তুলনাত বিশেষকৈ তৎসম শব্দৰ প্ৰয়োগ কম পৰিলক্ষিত হৈছে। তদুপৰি বৈষ্ণৱ কবিসকলৰ ভাষাত পৰিলক্ষিত হোৱা কৃত্ৰিমতাৰ বিশেষকৈ ক্ৰিয়াৰ কৃত্ৰিম ৰূপৰ প্ৰয়োগ পদ্মা-পুৰাণত প্ৰায়ে দেখা নাযায়।[২৮] আনহাতে পদ্মা-পুৰাণৰ ভাষা লৌকিক ভাষাৰ ওচৰ চপা। যেনে ঃ

"কদ্ৰু বোলে বৈনী কিছু নাজানস তুমি।
যেহি ৰূপ ঘোঁৰা গোট কৈ দিম আমি।।"(পৃঃ ৯)

পদ্মা-পুৰাণত অ, আ, ই, উ, এ,ও - এই কেইটা স্বৰবৰ্ণৰ প্ৰয়োগ প্ৰধানভাৱে দেখা গৈছে যদিও ইয়াৰ গৌণীৰূপৰ প্ৰয়োগো পৰিলক্ষিত হৈছে।[২৯] ইয়াত প্ৰধানভাৱে প্ৰয়োগ হোৱা ব্যঞ্জন বৰ্ণ সমূহ ঃ

কণ্ঠ্য বৰ্ণ ঃ ক, খ, গ ঘ

তালব্য বৰ্ণ : চ, জ, ঝ
মূৰ্ধন্য বৰ্ণ : ট, ঠ, ড, ঢ
ঔষ্ঠ্য বৰ্ণ : প, ফ, ব, ভ
উষ্ম বৰ্ণ : শ, ষ, স, হ
নাসিক্য বৰ্ণ : ঙ, ঞ, ন, ম
কম্পিত বৰ্ণ : ৰ
পাৰ্শ্বিক বৰ্ণ : ল
অন্তঃস্থ বৰ্ণ : ৱ, য়

পদ্মা-পুৰাণত সংযুক্ত বৰ্ণ 'ক্ষ' আৰু দ্বিস্বৰ বৰ্ণ 'ঐ' আৰু 'ঔ'ৰ প্ৰয়োগো পৰিলক্ষিত হৈছে। বহুক্ষেত্ৰত 'শ' আৰু 'ষ' বৰ্ণ 'স' লৈ পৰিবৰ্তিত হোৱাও দেখা গৈছে। দুই-এঠাইত 'জ' বৰ্ণৰ ঠাইত 'ঝ' আৰু 'স' বৰ্ণৰ ঠাইত 'চ'ৰ ব্যৱহাৰো হৈছে। পদ্মা-পুৰাণত বহুবচনবোধক প্ৰত্যয় আৰু নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ ব্যৱহাৰ পৰিলক্ষিত হৈছে। যেনে :

বহুবচন বোধক প্ৰত্যয় :
—গন : আয়াগন, দাসীগন, বিদ্যাধৰগন, পাত্ৰগন, মহদেৱীগন
—সৱ : তুমিসৱ, আমিসৱ
—সৰ্ব্ব : সৰ্ব্বনাগে
—সাৰ : আমাসাৰ, তোমাসাৰ ইত্যাদি।

নিৰ্দিষ্টবাচক প্ৰত্যয় :
—খান : চাৰিখান, চৌদ্ধখান, পুৰীখান।
-গোট : মৰাগোট, কন্যাগোট
-টাৰ : কেসটাৰ ইত্যাদি।

স্বৰভক্তিৰ সহায়ত সংযুক্ত ব্যঞ্জন ধ্বনি বিশ্লিষ্ট কৰাৰ দৃষ্টান্তও পদ্মা-পুৰাণত দেখা যায়।[৩৩]

উদাহৰণ : হৰসিত<হৰ্ষিত; ধিয়ান<ধ্যান; ৰতন<ৰত্ন; তৰাস>ত্ৰাস; দগধ<দগ্ধ; পৰাণ>প্ৰাণ; পৰৱেশ<প্ৰৱেশ; পৰমান<প্ৰমাণ ইত্যাদি।

## পাদটীকা :

(১) দৈৱচন্দ্ৰ তালুকদাৰ (সম্পা) : সুকনানী-পদ্মাৱতী, ১৯৬৪, পাতনি, পৃ. ০১ (২) নবীন চন্দ্ৰ শৰ্মা : অসমৰ ওজাপালি, ১৯৯১, পৃ. ৪১ (৩) হৰিনাথ শৰ্মাদলৈ : অসমত শক্তি-সাধনা আৰু শাক্ত-সাহিত্য, ১৯৮৩, পৃ. ২৬৪ (৪) নবীন চন্দ্ৰ শৰ্মা (সম্পা) : শিৱ-পুৰাণ, ১৯৮৬, পৃ. ২৬৩ (৫) উক্ত গ্ৰন্থ, পৃ. ২৬৪ (৬) সত্যেন্দ্ৰনাথ শৰ্মা : পুৰণি সাহিত্য অধ্যয়ন, ১৯৮৮, পৃ. ১৪০ (৭) উক্ত গ্ৰন্থ, পৃ. ১৪০ (৮) নবীন চন্দ্ৰ শৰ্মা (সম্পা) : পদ্মা-পুৰাণ-ভাটীয়ালী খণ্ড, ১৯৯৩, পৃ. ৪০১ (৯) উক্ত গ্ৰন্থ, পৃ. ৪০১ (১০) হৰিনাথ শৰ্মাদলৈ : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৬৫ (১১) বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা (সম্পা) : মনসা-কাব্য, ১৯৮৭, পাতনি পৃ. (ল) (১২) হৰিনাথ শৰ্মাদলৈ : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৬৬ (১৩) নবীন চন্দ্ৰ শৰ্মা (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪১২ (১৪) হৰিনাথ শৰ্মাদলৈ : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২১৭ (১৫) উক্ত গ্ৰন্থ, পৃ. ২৭২ (১৬) নবীন চন্দ্ৰ শৰ্মা (সম্পা) প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২২৪ (১৭) হৰিনাথ শৰ্মাদলৈ : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৬৮ (১৮) নবীন চন্দ্ৰ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ পৃ. ৪৩৪ (১৯) সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮৯ (২০) নবীন চন্দ্ৰ শৰ্মা (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৩৪ (২১) তীৰ্থনাথ শৰ্মা : সাহিত্য-বিদ্যা পৰিক্ৰমা, ১৯০৭ শক, পৃ. ১৮৪ (২২) নবীন চন্দ্ৰ শৰ্মা (সম্পা) : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৩৪ (২৩) উক্ত গ্ৰন্থ, পৃ. ৪৩৫ (২৪) উক্ত গ্ৰন্থ, পৃ. ৪৩৫ (২৫) তীৰ্থনাথ শৰ্মা : প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৮৬ (২৬) উক্ত গ্ৰন্থ, পৃ. ১২২ (২৭) উক্ত গ্ৰন্থ, পৃ. ৬২৮ (২৮) নবীন চন্দ্ৰ শৰ্মা (সম্পা): প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৩৮ (২৯) উক্ত গ্ৰন্থ, পৃ. ৪৩৯ (৩০) উক্ত গ্ৰন্থ, পৃ. ৪৩৯

# একবিংশ শতিকাৰ প্ৰথমটো লোক গণনা ঃ এটি চমু বিশ্লেষণ

শ্ৰীপ্ৰহলাদ ভৰালী
প্ৰবক্তা, অৰ্থনীতি বিভাগ

বহু বিতৰ্কৰ মুৰত ২০০০ চনৰ পৰাই একবিংশ শতিকাৰ শুভাৰম্ভ হয় বুলি পৃথিৱীৰ সৰহসংখ্যক লোকেই মানি লৈছে। ভাৰত বৰ্ষত পোন প্ৰথমবাৰৰ বাবে লোক পিয়ল কৰা হয় ১৯২১ চনত আৰু সেই চনৰ হিচাপ মতে তেতিয়া ভাৰত বৰ্ষৰ জনসংখ্যা আছিল ২৫.১ কোটি। ১৯২১ চনৰ পৰাই ভাৰত চৰকাৰে প্ৰতি দহ বছৰৰ মূৰে মূৰে লোক পিয়লৰ কাম কৰি আহিছে। অৱশ্যে কেতিয়াবা ইয়াৰ ব্যতিক্ৰম ঘটিছে। অৰ্থাৎ দুই এক দশকত প্ৰাকৃতিক, ৰাজনৈতিক, সামাজিক, অসূচল বাতাবৰণৰ বাবে লোকপিয়লৰ কাম বাদ পৰি যোৱা পৰিলক্ষিত হয়। এইদৰে একবিংশ শতিকাৰ প্ৰথমটো লোকপিয়লৰ কাম চৰকাৰী ভাৱে ২০০১ চনৰ ৩১ মাৰ্চত শেষ কৰি উলিয়াইছে। এই পৰিকল্পনাৰ হিচাপ অনুসৰি ২০০১ চনত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা ১০২৭ নিযুত বুলি নিৰ্ধাৰিত হয়। সেইদৰে আৰু সেই হিচাপত অসমৰ মুঠ জনসংখ্যা হয় ২৬৬.৩৮ লাখ।

পৃথিৱীৰ মুঠ মাটি ভাগৰ ২.৪ শতাংশ ভাৰতবৰ্ষৰ পৰিসীমাৰ ভিতৰত। ভাৰতবৰ্ষৰ মুঠ মাটি কালি হ'ল ৩১,৬৬,৬২৯ বৰ্গ কিলোমিটাৰ। এই মাটি ভাগ লৈয়ে ভাৰতবৰ্ষই পৃথিৱীৰ মুঠ জনসংখ্যাৰ শতকৰা ১৫ ভাগ লোকক বসবাসৰ সুবিধা দিব লগাত পৰিছে। ওপৰত উল্লেখ কৰা মতে ১৯২১ চনৰ পৰাই ভাৰতবৰ্ষত লোক গণনাৰ কাম কৰা হয় আৰু সেই গণনাৰ হিচাপ অনুসৰি ভাৰতৰ জনসংখ্যা ২৫.১ কোটি বুলি নিৰ্ধাৰিত হয়।

এইদৰে ১৯৩১, ১৯৪১, ১৯৫১, ১৯৬১ চনৰ লোক হিচাপ অনুসৰি ভাৰতবৰ্ষৰ জনসংখ্যা ক্ৰমে ২৭.৯ কোটি, ৩১.৯ কোটি, ৩৬.১ কোটি, ৪৩.৯ কোটিলৈ বৃদ্ধি পায়। ১৯৭১ চনৰ লোক পিয়ল মতে ভাৰতৰ জনসংখ্যা হয় ৫৪.৮ কোটি। ১৯৮১ চনৰ লোকপিয়ল মতে এই জনসংখা ৬৮.৪ কোটিলৈ আৰু ১৯৯১ চনৰ ৮৪.৬ কোটিলৈ বৃদ্ধি পায়। এইদৰে বৰ্দ্ধিত হাৰত ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধি হয় ১০২.৭ কোটি বুলি নিৰ্ধাৰিত হয়। এই জনসংখ্যা বৃদ্ধি হাৰ বিশ্লেষণ কৰিলে দেখা যায় যে ১৯২১ চন পৰ্যান্ত জনসংখ্যা বৃদ্ধি হাৰ কম আছিল। ইয়াৰ মূল কাৰণ আছিল প্ৰধানতঃ দূৰ্ভিক্ষ, মহামাৰি আৰু আন প্ৰাকৃতিক দুৰ্য্যোগ। এটা কথা ঠিক আছিল যে সেই সময়ত খাদ্য উৎপাদন আৰু জনসংখ্যা প্ৰায় একে হাৰতেই বৃদ্ধি পাইছিল। অৱশ্যে ইয়াৰ পিছত জনসংখ্যা বৃদ্ধিৰ লগত খাদ্য উৎপাদন বৃদ্ধিৰ অনুপাতৰ পাৰ্থক্য আহি পৰিছিল। অৰ্থাৎ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছিল আৰু খাদ্য উৎপাদন পিছপৰি আহিছিল। ইয়াৰ পাছত অৱশ্যে সামান্য পৰিমানে পৰিবৰ্তন আহি পৰা দেখা গৈছে।

১৯৬১ চনৰ পৰা ১৯৭১ চনৰ সময়ছোৱাত ভাৰতবৰ্ষৰ বছৰেকীয়া জনসংখ্যা বৃদ্ধিৰ হাৰ ২.২ শতাংশ হোৱা দেখিবলৈ পোৱা গৈছে। কিন্তু ইয়াৰ পাছত পুনৰ জনসংখ্যাৰ বৃদ্ধি হাৰ মন্থৰ গতিত কমি আহিছে। সেয়েহে ১৯৮১, ১৯৯১ আৰু ২০০১ চনত বছৰেকীয়া গড় বৃদ্ধি হাৰ যথাক্ৰমে ২.২ শতাংশ, ২.১

শতাংশ আৰু ১.৭ শতাংশ হৈ হ্ৰাস পায়।

এনেদৰে ভাৰতবৰ্ষৰ প্ৰথম লোকগণনাৰ ১৯২১ চনৰ পৰা ২০০১ চনত সম্পূৰ্ণ কৰা শেহতীয়া লোক গণনাৰ জনসংখ্যা তথ্য বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ ওলাই পৰে যে ১৯২১ চনৰ পৰা বৰ্তমানলৈকে ভাৰতৰ জনসংখ্যা এক দ্ৰুতগতিত বৃদ্ধি পাই আহিছে। এই কথাষাৰ তলৰ তালিকাৰ পৰা স্পষ্ট হৈ পৰে।

এই ভয়তে প্ৰায় সকলোৱে বিবাহ পাশত আৱদ্ধ হয়।

২) কম বয়সত বিবাহ সম্পূৰ্ণ ঃ কম বয়সত বিবাহ কাৰ্য্য সম্পূৰ্ণ কৰাৰ ফলত সন্তান উৎপাদনৰ বাবে অধিক সময় লাভ কৰে। ফলত ভাৰতীয় লোক সকল কম বয়সত অধিক সন্তানৰ পিতৃ, মাতৃ হয়।

৩) দৰিদ্ৰতাঃ ভাৰত বাসীৰ দৰিদ্ৰতা জন্মহাৰ বৃদ্ধিৰ আন এক মূল কাৰণ।

(ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ গাঠনি)

| লোক গণনাৰ বছৰি | জনসংখ্যা (নিযুত) | দশকত হ্ৰাস/ বৃদ্ধি (নিযুত) | দশকীয় বৃদ্ধি হাৰ (শতাংশ) | বছৰেকীয়া গড় বৃদ্ধিহাৰ (শতাংশ) |
|---|---|---|---|---|
| ১৯০১ | ২৩৮ | - | - | - |
| ১৯১১ | ২৫২ | ১৪ | ৬.৭ | - |
| ১৯২১ | ২৫১ | (-) ০১ | (-) ০.৩ | - |
| ১৯৩১ | ২৭৯ | ২৮ | ১১.০ | - |
| ১৯৪১ | ৩১৯ | ৪০ | ১৪.২ | - |
| ১৯৫১ | ৩৬১ | ৪২ | ১৩.৩ | ১.৩ |
| ১৯৬১ | ৪৩৯ | ৭৮ | ২১.৫ | ২.০ |
| ১৯৭১ | ৫৪৮ | ১০৯ | ২৪.৮ | ২.২ |
| ১৯৮১ | ৬৮৫ | ১৩৭ | ২৫.০ | ২.২ |
| ১৯৯১ | ৮৪৬ | ১৬১ | ২৩.৮ | ২.১ |
| ২০০১ | ১০২৭ | ১৮১ | ২১.৩ | ১.৭ |

ওপৰৰ বিশ্লেষণৰ পৰা এটাকথা স্পষ্ট হৈ পৰিছে যে ১৯২১ চনত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা ২৫.১ কোটি আৰু ২০০১ চনত ই হয়গৈ ১০২.৭ কোটি। এই আঠটা দশকত মুঠ জনসংখ্যা বৃদ্ধি পাই ৭৭.৬ কোটি। এই দৰে ভাৰতৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পোৱাৰ কাৰণ হিচাপে তলত উল্লেখ কৰা দিশ কেইটা প্ৰধানকৈ জগৰীয়া কৰিব পাৰি ঃ

১) বিবাহ ঃ ভাৰতত বিবাহ অতি প্ৰয়োজনীয় বুলি ভবাহয়। বিয়া নকৰালে আত্মা নৰকগামী হব পাৰে-

৪) উষ্ণ আৰু আৰ্দ্ৰ জলবায়ু ৫) যৌথ পৰিয়াল প্ৰথা ৬) বহু বিবাহ প্ৰথা ৭) সমাজত তিৰোতাৰ স্থান তলত বুলি ধৰা ৮) ভাৰতবৰ্ষই শিল্প সম্প্ৰসাৰণৰ প্ৰথম যুগত অৱতীৰ্ণ হোৱাত ৯) চিকিৎসাৰ সুবিধা আৰু সম্প্ৰসাৰণত মৃত্যু হাৰ হ্ৰাস পোৱাত ১০) মৃত্যুৰ হাৰ হ্ৰাসে প্ৰজননশীল তিৰোতাৰ সংখ্যা আৰু তেওঁলোকৰ প্ৰজনন কাল বৃদ্ধি কৰাত ১১) বিধবা আৰু স্বামী পৰিতিৰ্য্যতা তিৰোতাৰ পুনৰ বিবাহৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি পোৱা।

লোকগণনাই মুঠ জন সংখ্যাৰ হ্রাস-বৃদ্ধিৰ স্পষ্ট ছবি এখন ডাঙি ধৰাৰ লগতে আন্তঃ ৰাজ্যিক জনসংখ্যা গাঠনিৰ এখন ছবিও ডাঙি ধৰে। ১৯০১ চনৰ লোক গণনা অনুসৰি ভাৰতৰ ৰাজ্য সমূহৰ মাজত সৰ্ব্বাধিক জন বহুল ৰাজ্য হিচাপে উত্তৰ প্ৰদেশ আৰু সৰ্ব্বনিম্ন জনসংখ্যা ৰাজ্য হিচাপে ছিকিম পৰিগণিত হৈছে।

২০০১ চনৰ লোক পিয়ল অনুসৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ জনসংখ্যা আৰু প্ৰতিখন ৰাজ্যত ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা কিমান অংশ বাস কৰে তাৰ এখন ছবি তলত উল্লেখ কৰা হ'ল ঃ

এটা লোকগণনাত যিদৰে দেশৰ মুঠ জনসংখ্যাৰ এখন পূৰ্ণ ছবি ডাঙি ধৰা হয়, সেইদৰে গণনাৰ ভিতৰত জন্ম-মৃত্যুৰ হাৰ, স্ত্ৰী-পুৰুষৰ অনুপাত, স্বাক্ষৰতাৰ হাৰ, জীৱিকা নিৰ্ভৰশীলতা অনুপাত ইত্যাদি বিষয়কো জোখা হয়। ভাৰতবৰ্ষৰ জন্ম হাৰ অতি বেছি। ১৯৮১-৯১ দশকত ভাৰতত গড় জন্ম আৰু মৃত্যুৰ হাৰ আছিল প্ৰতি হাজাৰত যথাক্ৰমে ২৯৫ আৰু ৯৮। ১৯৯৯-২০০০ চনত এই হাৰ হয় ২৬১ আৰু ৮৭। সামান্য পৰিমানে জন্ম-মৃত্যুৰ হাৰ হ্ৰাসপোৱা অনুমান কৰিলেও অৱশ্যে এই জন্ম হাৰ পৃথিৱীৰ শিল্পোন্নত দেশবোৰৰ তুলনাত

জনসংখ্যাৰ আন্তঃ ৰাজ্যিক চিত্ৰ ২০০১ চন

| ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল | মুঠ জনসংখ্যা (লাখ) | পুৰুষ | মহিলা |
|---|---|---|---|
| উত্তৰ প্ৰদেশ | ১৬৬০.৫৩ | ৮৭৪.৬৬ | ৭৮৫.৮৭ |
| মহাৰাষ্ট্ৰ | ৯৬৭.৫২ | ৯৬৭.৫২ | ৫০৩.৩৪ |
| বিহাৰ | ৮২৮.৭৯ | ৪৩১.৫৪ | ৩৯৭.২৫ |
| পশ্চিম বংগ | ৮০২.২১ | ৪১৪.৮৮ | ৩৮৭.৩৩ |
| অন্ধ্ৰ প্ৰদেশ | ৭৫৭.২৭ | ৭৫৭.২৮ | ৩৮২.৮৭ |
| তামিলনাড়ু | ৬২১.১১ | ৩১২.৬৯ | ৩০৮.৪২ |
| মধ্যপ্ৰদেশ | ৬০৩.৮৫ | ৩১৪.৫৭ | ২৪৯.২৮ |
| ৰাজস্থান | ৫৬৪.৭৩ | ২৯৩.৮২ | ২৭০.৯১ |
| কৰ্ণাটক | ৫২৭.৩৪ | ৫২৭.৩৪ | ২৬৮.৫৬ |
| গুজৰাট | ৫০৫.৯৭ | ২৩৩.৪৪ | ২৪২.৫৩ |
| উৰিষ্যা | ৩৬৭.০৭ | ১৮৬.১২ | ১৮০.৯৫ |
| কেৰালা | ৩১৮.৩৯ | ১৫৪.৬৯ | ১৬৩.৭০ |
| ঝাৰখণ্ড | ২৬৯.০৯ | ১৩৮.৬১ | ১৩০.৪৮ |
| অসম | ২৬৬.৩৮ | ১৩৭.৮৮ | ১২৮.৫০ |
| পঞ্জাৱ | ২৪২.৮৯ | ১২৯.৬৩ | ১১৩.২৬ |
| হাৰিয়ানা | ২১০.৮৩ | ১১৩.২৮ | ৯৭.৫৫ |
| চত্ৰিশগড় | ২০৭.৯৬ | ১০৪.৫২ | ১০৩.৪৪ |

| ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল | মুঠ জনসংখ্যা (লাখ) | পুৰুষ | মহিলা |
|---|---|---|---|
| দিল্লী | ১৩৭.৮৩ | ৭৫.৭১ | ৬২.১২ |
| জম্মু আৰু কাশ্মীৰ | ১০০.৭০ | ৫৩.০১ | ৪৭.৬৯ |
| উত্তৰাঞ্চল | ৮৪.৭৯ | ৪৩.১৬ | ৪১.৬৩ |
| হিমাচল প্ৰদেশ | ৬০.৭৭ | ৩০.৮৫ | ২৯.৯২ |
| ত্ৰিপুৰা | ৩১.৯১ | ১৬.৩৬ | ১৫.৫৫ |
| মণিপুৰ | ২৩.৮৯ | ১২.০৭ | ১১.৮১ |
| মেঘালয় | ২৩.০৬ | ১১.৬৮ | ১১.৩৮ |
| নাগালেণ্ড | ১৯.৮৯ | ১০.৪২ | ৯.৪৭ |
| গোৱা | ১৩.৪৪ | ১৩.৪৪ | ৬.৮৬ |
| অৰুণাচল প্ৰদেশ | ১০.৯১ | ৫.৭৪ | ৫.১৭ |
| পণ্ডিচেৰী | ৯.৭৪ | ৪.৮৭ | ৪.৮৭ |
| চণ্ডীগড় | ৯.০১ | ৫.০৮ | ৩.৯৩ |
| মিজোৰাম | ৮.৯১ | ৪.৬০ | ৪.৩১ |
| চিকিম | ৫.৪১ | ২.৮৮ | ২.৫২ |
| আন্দামান নিকোবৰ দ্বীপপুঞ্জ | ৩.৫৬ | ৩.৫৬ | ১.৯৩ |
| দাদৰা আৰু নগৰ হাভেলি | ২.২০ | ১.২২ | ০.৯৯ |
| দমন আৰু দিউ | ১.৫৮ | ০.৯২ | ০.৬৬ |
| লাক্ষাদ্বীপ | ০.৬০ | ০.৩১ | ০.২৯ |
| সৰ্বভাৰতীয় | ১০২৭০.১৫ | ৫৩১২.৭৭ | ৪৯৫৭.৩৮ |

যথেষ্ট বেছি।

আনহাতে ১৯৯১ চনৰ পুৰুষ মহিলাৰ অনুপাত ১০০০:৯৩৪ ৰ বিপৰীতে ২০০০ চনত ১০০০:৯৩৩ লৈ সামান্য হ্ৰাস পায়। ভাৰতবৰ্ষৰ জীৱিকা নিৰ্বাহৰ দিশলৈ মন কৰিলে এটা কথা স্পষ্ট হয় যে ভাৰত বৰ্ষৰ সৰ্ব্বমুঠ ১০২৭ নিযুত জন সংখ্যাই জীৱিকা অৰ্জন নকৰে। যিহেতু আয় উপাৰ্জন কৰা বয়স ১৫ বছৰৰ পৰা ৬৯ বছৰলৈ ধাৰ্য্য কৰা হৈছে। সেইহেতু ১৫ বছৰৰ নিম্নত ৬০ বছৰ উৰ্দ্ধত থকা লোক সকলে জীৱিকাৰ বাবে নিৰ্ভৰ কৰে বুলি ধৰা হয়। ২০০১ চনত জীৱিকা নিৰ্ভৰশীলতা অনুপাত ৪১% বুলি নিৰ্ধাৰিত হৈছে। (জীৱিকা নিৰ্ভৰশীলতা অনুপাত =

$$\frac{\text{০-১৪ বয়স শ্ৰেণী + ৬০ তথা ৬০ ৰ উৰ্দ্ধ বয়স শ্ৰেণী}}{\text{১৫-৫৯ বয়স শ্ৰেণী}} \times \text{১০০})$$

১৯৮১ আৰু ১৯৯১ চনত এই জীৱিকা নিৰ্ভৰশীলতা হাৰ আছিল যথাক্ৰমে ৪৯.৯% আৰু ৪২.৯%। ১৯৯১-২০০১ চনতএই হাৰ ১.৯% হ্ৰাস পোৱা বুলি লোকগণনাত নিৰ্ধাৰিত হৈছে। সেইদৰে স্বাক্ষৰতা

শিতানলৈ মন কৰিলে দেখা যায় স্বাক্ষৰতা হাৰ আৰু স্বাক্ষৰতাৰ অনুপাত (পুৰুষ-মহিলা) স্বাধীনতাৰ পাছৰ পৰাই বৃদ্ধি পোৱা দেখা যায়। কিন্তু যি গতিত বৃদ্ধি পাব লাগিছিল সেয়া আশাকৰা মতে হোৱা নাই। ১৯৮১ চনত মুঠ স্বাক্ষৰতা হাৰ ৪১.৪% হয় আৰু পুৰুষ-মহিলাৰ অনুপাত হয় ৫৩.৪:২৮.৫। এই হাৰ ১৯৯১ চনত ক্ৰমে সৰ্ব্বমুঠ ৫২.২% আৰু পুৰুষ মহিলা অনুপাত ৬৪.১% আৰু ৩৯.৩% হয়। ২০০১ চনত সৰ্ব্বমুঠ স্বাক্ষৰতাৰ হাৰ ৬৫.৪% আৰু পুৰুষ-মহিলাৰ হাৰ ৭৫.৮% আৰু ৫৪.২% লৈ বৃদ্ধি পায়

২০০১ চনৰ লোক পিয়ল অনুযায়ী উত্তৰ পূৰ্ব্বাঞ্চলত সমগ্ৰ ভাৰতৰ ২য় সৰ্ব্বাধিক স্বাক্ষৰতা হাৰ থকা ৰাজ্য হিচাপে মিজোৰাম পৰিগণিত হৈছে।

১৯৯১ চনৰ মিজোৰামৰ মুঠ স্বাক্ষৰতা হাৰ ৮২.২৭% পৰা ২০০১ চনত ৮৮.৪৯% লৈ বৃদ্ধি পায়। অসমৰ ক্ষেত্ৰত ১৯৯১ চনত এই হাৰ আছিল ৫২.৮৯% আৰু ২০০১ চনত ৬৪.২৮% বৃদ্ধি পায়। এই তথ্যৰ পৰা এটা কথা কব পাৰি ২০০১ চনত অসমৰ স্বাক্ষৰতা হাৰ সৰ্ব্বভাৰতীয় স্বাক্ষৰতাৰ হাৰৰ লগত প্ৰায় ওচৰা-ওচৰি। আনহাতে ২০০১ চনৰ লোকপিয়ল মতে কেৰালাই সৰ্ব্বাধিক স্বাক্ষৰতা হাৰ বহন কৰা ৰাজ্য হিচাপে পৰিগণিত হৈছে। ২০০১ চনৰ লোক গণনা অনুসৰি কেৰালাৰ স্বাক্ষৰতাৰ হাৰ হ'ল ৯০.৯%। ❑

"মানুহ হৈছে সপোনক দিঠকত পৰিণত কৰা শিল্পী। সেইহে মই মানুহ — মই শিল্পী। আপোনালোক মানুহ — আপোনালোক শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্প-সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী। ইয়াকে শিল্পীয়ে — আজি নিখিল পৃথিৱীৰ শিল্পীয়ে— মানুহক উপলব্ধি কৰাব লাগিব। প্ৰতিজনৰ বুকুত এই শিল্পীটোক তাৰ পূৰ্ণৰূপত জ্বলাই জ্বলাই জগাই তুলিব লাগিব। আজি শিল্পীৰ সাধনা হ'ব লাগিব সেয়েই।"

— জ্যোতিপ্ৰসাদ

# স্থানীয় সম্পদৰ ব্যৱহাৰিক চিন্তা

শ্ৰীবিজয়া ডেকা
প্ৰবক্তা, শিক্ষা বিভাগ

বাস্তৱ জীৱনৰ লগত সংগতি নথকা তথা প্ৰচলিত আঁসোৱাহপূৰ্ণ পাঠ্যক্ৰমে বাস্তৱিকতেই বছৰৰ পাচত বছৰ ধৰি এচাম কৰ্ম বিমুখ যুৱক-যুৱতীৰ সৃষ্টি কৰি আহিছে। এওঁলোকে চাকৰিমুখী হৈ চৰকাৰৰ ঘৰলৈ মুখ কৰি বহি থাকে। শিক্ষিত চামৰ বেছি ভাগে নিজৰ ভৰিত থিয় দিবৰ বাবে চেষ্টাও নকৰে। সমাজত দেখা দিয়া এই জ্বলন্ত সমস্যাই সমাজৰ এচামলোকৰ মনত আজি বাৰুকৈয়ে চিন্তাৰ উদ্বেগ জগাইছে। সেয়েহে তেওঁলোকৰ এচামে এই সমস্যাৰ কিছু হলেও লাঘৱ কৰিবলৈ চৰকাৰক বাদ দি স্বেচ্ছাসেৱী সংগঠন কিছুমানৰ ৰূপত বিভিন্ন পৰ্য্যায়ৰ লোকক আত্মনিৰ্ভৰশীল হোৱাৰ বাবে উদগণি দি বিভিন্ন পদক্ষেপ লোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে জ্ঞান-বিজ্ঞান সমিতি, অসমৰ সহযোগত অসমৰ ভালেমান ঠাইত মহিলা সকলৰ মাজত আত্মনিৰ্ভৰশীল গোট গঠন কৰিছে। সম্পূৰ্ণ নিজৰ উপাৰ্জনৰ পৰা সঞ্চিত কৰা মাহিলী ১০-৫০ টকা জমা থৈ এই গোটবোৰে ইতিমধ্যে বিভিন্ন কামত হাত দিছে। গামোচা, ৰুমাল, ধূপকাঠি, আচাৰ, জাম-জেলি, চাবোন, গাহৰি পালন, পুতলা সজা, কাঠফুলাৰ খেতি, চুফাৰি তৈয়াৰ কৰা ইত্যাদি বিভিন্ন সৰু-সুৰা কাম আৰম্ভ কৰিছে। কেঁচা সামগ্ৰীৰ পৰ্য্যাপ্ততা ভেদে এই উদ্যোগসমূহ অৱশ্যে বেলেগ বেলেগ হয়।

এই প্ৰসঙ্গতে আমি কব পাৰো যে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পশ্চিম কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিস্তৃত এলেকা বিভিন্ন কৃষিজাত আৰু বনজ সম্পদত চহকী। সৰু-সুৰা পাহাৰে আবৰি থকা এই বৃহৎ অঞ্চলটোত কৃষিজাত সামগ্ৰী যেনে - কল, আনাৰস, কমলা, তামোল আদি যথেষ্ট পৰিমানে উৎপাদন হয়। সোমবৰীয়া ধূপধৰাৰ বজাৰ আৰু শনিবৰীয়া বকো বজাৰ দুখন ডাঙৰ বজাৰ। সেইদৰে দৰংগিৰি আৰু বংজুলিৰ বজাৰ আৰু মেঘালয়ৰ সীমান্তৱৰ্ত্তী হাহিম বজৰো এই অঞ্চলৰ উল্লেখনীয় বজাৰ। এই বজাৰকেইখনত কল, কমলা, আনাৰস আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। সেইদৰে নগৰবেৰা আৰু মালিবাৰী বজাৰ দুখনত প্ৰচুৰ পৰিমানে ধনীয়া, সৰিয়হ, মৰাপাট বেচা-কিনা হয়। এইবোৰ সামগ্ৰী গুৱাহাটী বা গুৱাহাটীহৈ বাহিৰলৈ ওলাই যায়। এই সামগ্ৰীবোৰ ইয়াতে ৰাখি ক্ষুদ্ৰ উদ্যোগত ব্যৱহাৰ কৰাৰ আশা কৰিব পাৰি। কেৰেলা ৰাজ্যতো কল প্ৰচুৰ পৰিমানে উৎপন্ন হয়। কলৰ পৰা তৈয়াৰ কৰা চিপ্‌চ কেৰেলা ৰাজ্যৰ সংস্কৃতিৰ ভিতৰুৱা। তেওঁলোকে কলৰ চিপ্‌চেৰে অতিথিক আপ্যায়ন কৰি বৰ ভাল পায়। আমাৰ উঠি অহা যুৱক-যুৱতী সকলে এই দিশলৈ চকু কাণ দিব পাৰে। কল ফল হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও কল গছৰ আঁহৰ পৰা বিভিন্ন বস্তু প্ৰস্তুত কৰিব পাৰি। আঁহবিলাকত ৰং বোলাই তাৰপৰা টুপী, ৰচি, মোনা, কাৰ্পেট আদি তৈয়াৰ কৰিব পাৰি। কল গছৰ পৰা তৈয়াৰী কলাখাৰ উত্তম পাচক হিচাপে ব্যৱহাৰ কৰা হয়। অসমীয়াসকলৰ পাকঘৰত খাৰ থকাটো পৰম্পৰা বুলিব পাৰি। সেয়েহে কলাখাৰো বটলিং কৰি দেশৰ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰাৰ দিহা কৰিব পাৰি। সেইদৰে আনাৰস,কমলাৰ পৰা ৰস উলিয়াই জাম-জেলি বা চৰ্বতৰ বটল প্ৰস্তুত কৰিব পাৰি। আনাৰসৰ আঁহৰ পৰাও টুপী, ৰচি, মোনা আদি তৈয়াৰ হয়।

আনহাতে এই অঞ্চলৰ জলবায়ু মুগা খেতিৰ বাবে অসমৰ ভিতৰতে উপযোগী। মুগা পালনৰ বাবে বিস্তৃত হাৰত চোম গছৰ খেতি কৰিব পাৰি। যুৱক-যুৱতী সকলে এই খেতিৰ লগত জড়িত হৈ নিজৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব পাৰে। ভাৰত চৰকাৰৰ দ্বাৰা স্থাপিত 'আঞ্চলিক মুগা গৱেষণা কেন্দ্ৰ' এটিও বকোত অৱস্থিত। গতিকে যুৱক-যুৱতীসকলে মুগা শিল্পৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শও ইয়াৰ পৰা সহজে পাব পাৰে।

বৰ্তমান সময়ত দেশৰ চুকে কোনে পেলনীয়া জাবৰ জোঁথৰ বা পেলনীয়া বুলি ভবা বহুতো বস্তুৰ পৰা প্ৰস্তুত কৰা কেবাটাও উদ্যোগ গঢ়ি উঠিছে। এনেধৰণৰ এটা উদ্যোগ হ'ল পশ্চিমবংগ 'শান্তি নিকেতন পেপাৰ প্ৰডাক্ট'। এই উদ্যোগৰ পৰা ফাইল কভাৰ, গ্ৰীটিংছ কাৰ্ড, নিমন্ত্ৰণী কাৰ্ড আদি তৈয়াৰ কৰা হয়। উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, পাঞ্জাৱ, কৰ্ণাটক, উৰিষ্যা আদিত এই ধৰণৰ আৱৰ্জনাৰ পৰা বিজুলী শক্তি উৎপাদন কৰিব পৰা বহুতো উদ্যোগৰ কাম আৰম্ভ কৰিছে। কুঁহিয়াৰৰ জাবৰ-জোথঁৰো ইয়াত ব্যৱহাৰ কৰা হয়।

জৈৱিক সাৰ বা জৈৱিক গেছৰ দৰে পেলনীয়া ধানৰ তুঁহৰ পৰা বা মৰাপাটৰ পেলনীয়া ঠাৰিৰ পৰা আন এক জীৱভৰ গেছ উদ্যোগ অৰ্থাৎ Biomass উৎপাদন কৰিব পৰা তিনিটা উদ্যোগ ইতিমধ্যে অসমত স্থাপন হৈছে। বকো অঞ্চলৰ দাঁতিকাষৰীয়া চৰ অঞ্চলত ধান,মাৰাপাটৰ খেতি ভাল হয়। গোবৰ, তুঁহ, জাবৰ জোঁথৰ, গছৰ শুকান পাত, সৰিয়হ গছৰ পেলনীয়া অংশ আদিও পোৱা যায়। গতিকে এই অঞ্চলতো এনেধৰণৰ ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাৰ থল নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত Assam Science, Technology and Environment Council, Silpukhuri, Ghy-781003 ৰ লগত যোগাযোগ কৰিব পাৰে। উদ্যোগ আদি গঠনৰ বাবে small scale industry ৰ অধীনত লোনৰ ব্যৱস্থাও কৰিব পাৰি। পেলনীয়া মৰাপাটৰ শুকান ঠাৰিৰ পৰা তৈয়াৰ কৰিব পৰা বস্তু সমূহ হ'ল পেকেজিং কাগজ, ঘৰৰ ছাল, ছিলিং, ফুলাম কাগজ, পুতলা, সজাই থোৱা বস্তু আদি। মৰাপাটৰ থৈলাৰ পৰা বিভিন্ন প্ৰকাৰৰ মোনা আকৰ্ষণীয় ৰূপত সজাই মেলি বিক্ৰীৰ ব্যৱস্থাও কৰিব পাৰি। দোকানৰ পৰা দালি, চাউলৰ খালী বস্তা আনি ইয়াৰ বাবে প্ৰয়োজনীয় কেঁচামাল সংগ্ৰহ কৰিব পাৰি। বিষাক্ত পলিথিনৰ মোনাত খোৱা বস্তু ভৰাই অনাৰ

**বাস্তৱ জীৱনৰ লগত সংগতি নথকা তথা প্ৰচলিত আঁসোৱাহপূৰ্ণ পাঠ্যক্ৰমে বাস্তৱিকতেই বছৰৰ পাচত বছৰ ধৰি এচাম কৰ্ম বিমুখ যুৱক-যুৱতীৰ সৃষ্টি কৰি আহিছে। এওঁলোকে চাকৰিমুখী হৈ চৰকাৰ ঘৰলৈ মুখ কৰি বহি থাকে। শিক্ষিত চামৰ বেছি ভাগে নিজৰ ভৱিত থিয় দিবৰ বাবে চেষ্টাও নকৰে। সমাজত দেখা দিয়া এই জ্বলন্ত সমস্যাই সমাজৰ এচামলোকৰ মনত আজি বাৰুকৈয়ে চিন্তাৰ উদ্বেগ জগাইছে।**

সলনি এইবোৰ মোনা ব্যৱহাৰ কৰিলে স্বাস্থ্য সম্মত কৰা হ'ব। স্থানীয় বজাৰত এইবোৰৰ চাহিদাও নিশ্চয় থাকিব।

এই অঞ্চল শাল-চেগুণ গছৰ বাবেও বিখ্যাত। শাল গছৰ পৰা ধূনা উৎপাদন হয়। এই ধূনা সমূহ পৰিকল্পিতভাৱে সংগ্ৰহ কৰি পেকেজিং কৰি দেশৰ অন্য ঠাইলৈ পঠোৱাৰ ব্যৱস্থাও কৰিব পাৰি। দৈনন্দিন জীৱন তথা পূজা-পাৰ্বনত ব্যৱহাৰ কৰা এইবিধ সমাগ্ৰী বিক্ৰী হোৱাৰ যথেষ্ট থল আছে। মিজোৰামত উৎপন্ন হোৱা জলকীয়া নি যদি জাপানে ওঠত লগোৱা লিপষ্টিকৰ বঙৰ বাবে ব্যৱহাৰ কৰিব পাৰে তেনেহ'লে আমাৰ ইয়াত প্ৰচুৰ পৰিমানে উৎপাদন হোৱা থলুৱা বস্তুবিলাকো দেশৰ বিভিন্ন ঠাইলৈ পঠিয়াই যুৱক-যুৱতী সকলে অৰ্থনৈতিক ভাৱে স্বাবলম্বী হোৱাৰ কথা চিন্তা কৰিব পাৰে। নগা, মণিপুৰী ফুলৰ চানেকিৰে তৈয়াৰ কৰা শ্বল, বিচনা চাদৰে দেশৰ বজাৰ যদি ভৰি পৰিব পাৰে আমিও এই ক্ষেত্ৰত আমাৰ চানেকি সমূহ পিছ পেলাই ৰখাৰ কোনো কাৰণ থাকিব নোৱাৰে। বাভা-গাৰো জনজাতীয় লোকসকলে ব্যৱহাৰ কৰা ফুলাম দখনা, গামোচা, আৱনাই আদিৰ ফুলৰ চানেকি চালে চকু ৰোৱা। এইবোৰ চানেকিৰে পৰ্দা, বিচনাচাদৰ, গাৰুৰ গিলিপ, টেবুলত পৰা কাপোৰ, ৰুমাল, মোনা, শ্বল আদি তৈয়াৰ কৰাৰ কথা শিপিনী সকলে চিন্তা কৰিব লাগে। পাট-মুগা কাপোৰ তথা গামোচাৰ দৰে এইবোৰ বস্ত্ৰবো নিশ্চয় চাহিদা থাকিব।

উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ অধীনত উদ্যোগ বিষয়ক বিভিন্ন তথ্য আদিৰ যোগান বা প্ৰশিক্ষণ দিয়া অনুষ্ঠান আমাৰ অসমৰ গুৱাহাটীৰ লালমাটিত অৱস্থিত। এই অনুষ্ঠানে ভালেমান বছৰৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ইচ্ছুক ব্যক্তি সকলক উদ্যোগ সম্বন্ধীয় বিভিন্ন প্ৰশিক্ষণ দি আহিছে। বিভিন্ন কলেজৰ কিছুসংখ্যক শিক্ষককো মাজে সময়ে প্ৰশিক্ষণ দি আহিছে। ইয়াৰ উদ্দেশ্য হৈছে মহাবিদ্যালয় সমূহৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলক উদ্যোগীকৰণৰ বিষয়ে বিভিন্ন ধৰণে উৎসাহিত কৰা বা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত উদ্যোগ সম্বন্ধে সজাগতা অনা। এই বিষয়ে অধিক তথ্য জানিবৰ বাবে ইচ্ছুক যুৱক-যুৱতীয়ে এই অনুষ্ঠানৰ লগত যোগাযোগ কৰিব পাৰে। যোগাযোগৰ ঠিকনা হ'ল ঃ

Indian Institute of Entrepreneurship.
Lalmati, Guwahati
Assam (India) ❑

কৃতজ্ঞতা ঃ IIE, Lalmati, Ghy.

*"The eternal simplicities generate the enrichment of art from their own bosoms not only because they are eternal but also because change is the condition of their existence. Thus art is one of the conditions of man's realisation of himself, and in its turn is one of the realities of man."*

*— Christopher Caudwell*

# কবিতাৰ কৰণি


১। এটি সোণোৱালী পুৱাৰ জন্মোৎসৱ
২। এন্ধাৰৰ আঁৰে আঁৰে
৩। তুমি আহিলে
৪। জীয়াই থাকিবলৈ দিয়া
৫। প্ৰেমৰ বতাহ
৬। বিষাদ
৭। ধৰ্ষিতা যৌৱন
৮। সময়
৯। অমৰ সৃষ্টি
১০। এটি গীত
১১। মৃত্যু
১২। এটুকুৰা বগা কাগজে যেতিয়া
১৩। ধুমুহা
১৪। দাপোন
১৫। ভূপেন হাজৰিকা সমীপেষু
১৬। কল্পনা
১৭। আলহি তোমাৰ বাবেই
১৮। ক'ত তোমাৰ হেঙুলীয়া হাত
১৯। উচুপনি

- শ্ৰীদেৱজিত বৰা ২৭
- শ্ৰীশেৱালি বড়ো ২৭
- শ্ৰীকাকলি বসুমতাৰী ২৮
- শ্ৰীৰবি নাথ ২৮
- শ্ৰীপ্ৰতাপ ৰাভা ২৯
- শ্ৰীবিজয় কলিতা ২৯
- শ্ৰীৰঞ্জিত কুমাৰ ৰাভা ৩০
- শ্ৰীপংকজ কলিতা ৩০
- শ্ৰীঅনিতা ৰাভা ৩১
- শ্ৰীমৰমী কলিতা ৩১
- শ্ৰীকৌশিক কলিতা ৩২
- শ্ৰীলাচিত দাস ৩২
- শ্ৰীজগদীশ চন্দ্ৰ নাথ ৩৩
- শ্ৰীৰশ্মি ৰাভা ৩৩
- শ্ৰীনিৰঞ্জন মহন্ত ৩৪
- শ্ৰীকপিলী ৰাভা ৩৪
- শ্ৰীৰণ্টু দাস ৩৫
- শ্ৰীবসন্ত কুমাৰ দত্ত ৩৬
- শ্ৰীঅনুপম ৰয় ৩৬

# এটি সোণালী পুৱাৰ জন্মোৎসৱ

**শ্ৰীদেৱজিত বৰা**
স্নাতক ২য় বৰ্ষ (কলা)

পৰুৱাই পোৱা বাটেৰে বাটকুৰি বাই
আমি পালোহি বৰ জয়াল এই ঠাই
ক'তো কাৰো সাৰসুৰ নাই
এন্ধাৰৰ কালান্তক জিহ্‌ভাই চেলেকি যায়
পোহৰৰ বাট
ক'তো অকণো পোহৰ পাবলৈ নাই
যি এন্ধাৰ দেখি এদিন কঁপি উঠিছিলোঁ
সেই এন্ধাৰকে আজি পোহৰ বুলি লৈছোঁ সাৰটি
তথাপিতো কাণে কাণে বাজি থাকে
অসহ্য এই ভয়ানক এন্ধাৰ
এন্ধাৰৰ মাজত মই কাণ উনাই শুনো
নদীৰ বিদায়ৰ গান
প্ৰতিনিয়ত খহনীয়াৰ শব্দত
আপোন মহিমা হেৰাওঁ
খহি পৰে স্বপ্ন সৌধ
গছবোৰ উভালি পৰে
ভাগি পৰে নক্ষত্ৰ খচিত আকাশ
চৌদিশে কেৱল ক্ষয় আৰু ক্ষয়
বহুদিন নক্ষত্ৰৰ পোহৰত টোপনি যোৱা নাই
চৌদিশে বাৰুদৰ শব্দ ; শুনা নাই মানুহৰ গান
অজান আশংকাত আচ্ছন্ন হৃদয়
বাটে বাটে মৃত্যুৰ নাচোন
এন্ধাৰৰ মাজত থাকিও সেউজীয়াৰ স্বপ্ন দেখোঁ
যদিও দেখা নাই পোহৰৰ বীজ
তথাপিও এদিন গৰ্ভৱতী হ'ব সময়
এন্ধাৰত নিমজ্জিত আমি আয়োজন কৰিম
এটি সোণালী পুৱাৰ জন্মোৎসৱ॥ ❑



# এন্ধাৰৰ আঁৰে আঁৰে

**মিচ্ শেৱালি বড়ো**
স্নাতক ৩য় বৰ্ষ (কলা)

বহুদিন হ'ল
দেখা নাই নীলা পোহৰৰ শলিতা
দেখা নাই জীৱনৰ সজীৱতা
চিনিবলৈ নোৱাৰি আজি
জটিল মানুহৰ চৰিত্ৰ
মায়াময় দিনৰ পোহৰৰ অন্তত
নিশাৰ ফাঁকে ফাঁকে আগুৱাই আহে
মৃত্যুৰ বিভীষিকাময় নৃত্য
মানুহৰ তেজেৰে তৃষ্ণা আঁতৰাবলৈ
অগ্ৰশীল ক্ষুধাতুৰ ৰাংকুকুৰৰ জাক
আহ ! কি বিভৎস এই দৃশ্য।
পৃথিৱীৰ পৱিত্ৰতা আৰু নাই
আছে বন্দুক-বাৰুদৰ ধোঁৱাৰে আবৃত
এক মৃত্যুমুখী জগত
য'ত পলে পলে ভূলুণ্ঠিত হৈছে
মানৱতা। ❑

# তুমি আহিলে


মিচ্ কাকলি বসুমতাৰী
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

আবেগৰ বৰষা হৈ নামিবা যিদিনা
মোৰ পদূলিত দেখিবা
ভগ্ন হৃদয়ৰ টুকুৰাবোৰ
কাষ চাপি আহিলে
আৰু এযুৰি চকু দেখিবা
ন'কৈ সপোন বচিবলৈ শিকা।

তোমাৰ বুকুৰ সেউজীয়া দলিচাক
কেতিয়াও নিদিও লেবেলা ফুলৰ পাহিৰ স্পৰ্শ
কেবল থাকিম মই
এপাহ সজীৱ সপ্ৰাণ ফুল হৈ
যি ফুলৰ পাপৰি হ'ব
তোমাৰ মিঠা অনুভূতি।

তোমাৰ মনৰ উপত্যকা তিয়াই পেলাম
প্ৰীতিৰ সমস্ত নিৰ্যাস বাকি দি।
যদি আহিব খোজা
সুখ দুখবোৰ ভগাবলৈ
অথবা অনুভৱেৰে অনুভৱক চুবলৈ
মোৰ মনৰ ঘাটটিত
তোমাৰ ডিঙাখন লগাই দিবা।

তুমি যিদিনা আহিবা
দেখিবা মোৰ পদূলিত
নাৰিকল পাতৰ ফাঁকেৰে সৰি পৰা
এচোতাল শেৱালিৰ ৰূপালী মেলা। ❑



# জীয়াই থাকিবলৈ দিয়া

শ্ৰীৰবি নাথ
উঃ মাঃ ১ম বৰ্ষ (কলা)

আমাক জীয়াই থাকিবলৈ দিয়া
দুঃসময় আঁতৰাই
হত্যা লুণ্ঠন ধৰ্ষণ আঁতৰাই
সুসময়ৰ বীজ
ৰোপণ কৰি
আমাক জীয়াই থাকিবলৈ দিয়া।


নিৰ্জনতা ভেদ কৰি
দুপৰ নিশা বাজি উঠা
বন্দুক বাৰুদৰ বিকট শব্দত
আৰ্তনাদ কৰি উঠা
এই পৃথিৱীক
সঞ্জীৱনী সুধাৰে
আকৌ জীৱন দান কৰা।
হে মাতৃ মোৰ মানুহৰ নিৰাপত্তা
তুমি যেন আকৌ
ঘূৰাই আনা।

তোমাৰ স্পৰ্শত এই মুমূৰ্ষ বতাহত উৰা
ভয়ানক মাৰণাস্ত্ৰৰ দুৰ্গন্ধবোৰ আঁতৰি
নিৰ্বীজ সময়ৰ গৰ্ভত
গঢ়ি উঠক, শান্তি-সম্প্ৰীতি
নিৰাপত্তা আৰু পোহৰৰ
উৎসৰে ভৰা
এখন সভ্য সমাজ। ❑

# প্ৰেমৰ বতাহ

শ্ৰীপ্ৰতাপ ৰাভা
উঃমাঃ ২য় বৰ্ষ (কলা)

পৃথিৱীত প্ৰেমৰ বতাহ
মই প্ৰেমত পৰোঁ বাৰে বাৰে
পৃথিৱীৰ প্ৰেমত
আকাশৰ প্ৰেমত
আৰু তোমাৰ প্ৰেমত।
প্ৰেমৰ দাবীত বতাহে আনি দিয়ে
এপাহি গোলাপ ফুল,
মোৰ হিয়াই
সাবটি ধৰে এন্ধাৰতে
চকুলোৰে তিতি থকা সূৰ্যটোক
জোৰেৰে হেচি ধৰোঁ মোৰ বুকুখনত।
দুখৰ কথাবোৰ বাগৰি বাগৰি আহে
মলয়া বতাহেদি
নিশাৰ এন্ধাৰত
ডুব গৈ থকা মনবোৰ
মোৰ স্বপ্নৰ সোণোৱালী পৃথিৱীত।
পখিলাৰ পাখিত প্ৰেমৰ বাসনা
প্ৰেমৰ পৃথিৱীখনক সাক্ষী কৰি
মৰমৰ জোনাক জাকে সুধিলে —
সঁচাকৈয়ে জানো এন্ধাৰতহে ফুলে
প্ৰেমৰ ফুল জোপা । ❑



# বিষাদ

শ্ৰীবিজয় কলিতা
স্নাতক ১ম বৰ্ষ (কলা)

অনিশ্চয়তাত ডুব যোৱা
মোৰ জীৱনৰ
প্ৰতিখিলা পাত লুটিয়াই
থমকি ৰওঁ,
একুৰা অদৃশ্য জুয়ে
পুৰি পেলায়
মই লিখা কাগজবোৰ
মই দেখা কল্পনাৰ পৃথিৱীখন
ছাই হয়।
মোৰ ভাৱ কল্পনাৰ আকাশখন
কিছু সময় পিছতেই এজাক ধুমুহাই
ছটিয়াই যায়
পোৰা কাগজৰ ফুলবোৰ
আৰু তেতিয়াই
মোৰ হৃদয়ে অনুভৱ কৰে
এক বৰ্ণহীন বিষাদ। ❑